29T ADAS

# 2019

# ADVANCE ASSAMESE

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

১। চমু উত্তৰ দিয়া ঃ ১×৩=

(ক) পৰীক্ষিত ৰজাৰ আগত কোনে বৰ্ষাৰ বৰ্ণনা দিছিল?

(খ) ‘চেতনা’ আলোচনীখন কোনে সম্পাদনা কৰিছিল?

(গ) কিন্নৰী শব্দৰ অৰ্থ লিখা।

২। (ক) ‘বৰ্ষা বৰ্ণন’ পাঠটি ক’ৰপৰা আহৰণ কৰা হৈছে? বৰ্ষা ঋতুৰ সৌন্দৰ্যই কৃষ্ণৰ লগ গোপসকলক কেনেদৰে বিমোহিত কৰিছিল পাঠটিৰ আধাৰত লিখাঁ। ১+৪=

*অথবা*

(খ) ‘অন্বেষণ’ কবিতাটিৰ মূলভাব লিখা।

৩। প্ৰসংগ-সংগতি দৰ্শাই তলৰ *যিকোনো এছোৱা* ব্যাখ্যা কৰা ঃ ১+৩=

(ক) মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।
কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই
জয় জয় মানৱ দেৱ।



(খ) জাতীয় উছৱ আদি কোনো ৰঙ ধেমালিতে
নাই প্ৰাণ আগৰ সিদৰে।
ধনকে মাথোন চিনি মৰম নিচিনা হ’ল
ধনেই কেৱল হ’ল
দয়া স্নেহ মূলতে সবাৰে।

৪। (ক) “ই যে মুক্ত জীৱন বন্ধন কৰা কঠোৰ বেথাৰ হান,
ই যে মানৱতা অৱমাননাকাৰীক মৰ্দিত কৰা ধ্যান।”
— কি প্ৰসংগত কবিয়ে এইদৰে কৈছে বুজাই লিখা। ৩

(খ) ‘মানুহক প্ৰকৃতিৰ অভিনয় পুতলা’ বুলি কিয় কোৱা হৈছে? ৩

(গ) ‘ইন্দ্ৰধনু’ৰ কবি কোন? অসমীয়া সাহিত্যত তেওঁ কিহৰ বাবে বিখ্যাত হৈ ৰৈছে? ১+১=২

৫। চমু উত্তৰ দিয়া ঃ ১×৩=৩

(ক) দৰ্শনৰ ভাগ কেইটা আৰু কি কি?

(খ) ধী-শক্তিৰ অৰ্থ কি?

(গ) ‘বিলাতী হোজা’ গ্ৰন্থখনৰ লেখক কোন?

৬। (ক) “পুৰাণ Secular purpose অৰ্থাৎ পাৰ্থিৱ সম্পৰ্কক মুখ্য উদ্দেশ্য কৰি লিখিত নহয়।”

— কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

*অথবা*

(খ) মাধৱদেৱে অসমীয়া জাতীয় জীৱনলৈ কেনে ধৰণৰ বৰঙণি আগবঢ়াইছিল, পাঠৰ আধাৰ চমুকৈ বৰ্ণনা কৰা।

৭। তলত দিয়া *যিকোনো এজনৰ* বিষয়ে চমুকৈ লিখাঁ ঃ

(ক) হলিৰাম ঢেকিয়াল ফুকন

(খ) বলী নাৰায়ণ বৰা।

৮। (ক) ‘কপিলীয়েই কপিলীপৰীয়া মানুহৰ জীৱন।’

— এই উক্তিৰ আধাৰত ‘কপিলীপৰীয়া সাধু’ উপন্যাসখনৰ এটি আলোচনা আগবঢ়োৱা ৮

*অথবা*

(খ) নদীকেন্দ্ৰিক উপন্যাস হিচাপে নৰকান্ত বৰুৱাৰ ‘কপিলীপৰীয়া সাধু’ৰ এটি বিশ্লেষণ আগবঢ়োৱা। ৮



৯। সোণপাহি চৰিত্ৰটিৰ বিষয়ে চমুকৈ লিখাঁ। ৪

১০। (ক) বেথাৰাম পণ্ডিতৰ আচল ঘৰ ক'ত আছিল? তেওঁৰ বিষয়ে চমুকৈ লিখাঁ। ১+৩=৪

(খ) “কপিলীয়েই এদিন আমাক চিনাকি কৰিছে ... আকৌ কপিলীয়েই এদিন আমাক আঁতৰাই লৈ যাব।” কোনে, কি প্ৰসংগত, কাক এই কথাষাৰ কৈছিল? ১+২+১=৪

১১। (ক) ‘আমাৰ ছাৰ’ গল্পটিৰ আধাৰত পদ্মেশ্বৰৰ চাৰিত্ৰিক গুণাৱলীৰ বিষয়ে চমুকৈ লিখাঁ। ৫

*অথবা*

(খ) ‘আমাৰ ছাৰ’ গল্পটোৰ মাজেৰে ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক কেনেদৰে চিত্ৰিত হৈছে চমুকৈ আলোচনা কৰাঁ। ৫

১২। (ক) বলোৰাম মেধিৰ হাতীটোৰ নাম কি আছিল? শেষত তাক কাৰ হাতত আৰু কিয় অৰ্পণ কৰা হৈছিল? গল্পৰ আধাৰত চমুকৈ লিখাঁ। ১+২=৩

(খ) যোগেশ দাসে কোন চনত অসম উপত্যকা বঁটা লাভ কৰিছিল? ১

(গ) ‘গদ্যৰ সাধনা’ পুথিখনৰ ৰচক কোন? ১

১৩। চুটিগল্পৰ এটি সংজ্ঞা দিয়া। ইয়াৰ মূল উপাদানসমূহৰ বিষয়ে চমুকৈ লিখাঁ। ২+8

১৪। ***যিকোনো দুটাৰ*** বিষয়ে চমুকৈ লিখাঁ ঃ ২×২

(ক) উপন্যাসৰ পটভূমি

(খ) চুটিগল্পৰ সংলাপ

(গ) ঔপন্যাসিকৰ জীৱন দৰ্শন।

১৫। (ক) অলংকাৰ বুলিলে কি বুজা? কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে চমুকৈ লিখাঁ। ২+8

*অথবা*

(খ) সাহিত্যত অলংকাৰৰ প্ৰয়োজন কি? শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ সূত্ৰ লিখি উদাহ
দাঙি ধৰাঁ। ২+২+২

(গ) তলত দিয়া ***যিকোনো দুবিধ*** অলংকাৰৰ উদাহৰণসহ সূত্ৰ লিখাঁ ঃ ২+২

উপমা, যমক, অতিশয়োক্তি, অপ্ৰস্তুত প্ৰশংসা।

১৬। (ক) শৰৎচন্দ্ৰ গোস্বামী *অথবা* ৰমা দাশৰ চুটিগল্পৰ বিষয়ে চমুকৈ লিখাঁ।

(খ) দৈৱচন্দ্ৰ তালুকদাৰ *অথবা* দণ্ডিনাথ কলিতাৰ উপন্যাসৰ বিষয়ে চমুকৈ লিখাঁ।



(গ) চমু উত্তৰ দিয়া ঃ

(১) জোনাকী কাকতৰ প্ৰথম সম্পাদক কোন আছিল? ১

(২) 'ৰহদৈ লিগিৰী' উপন্যাসখনৰ ৰচক কোন? ১

(৩) বেজবৰুৱাৰ একমাত্ৰ উপন্যাসখনৰ নাম কি? ১

———×———